# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : .............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.________________________________
(In words)

| D | 3 | 6 | 1 | 2 |
|---|---|---|---|---|

Time : 2 $^1/_2$ hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **12** | Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण** : Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**

# ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৭৫) (পয়সত্তৰ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (২)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

**1.** ‘যৈছে লবঙ্গলতা বাতে উৎপাড়ল’
উক্ত সংলাপটি শংকৰদেৱৰ কোনখন অংকীয়া নাটত পোৱা যায় ?
(A) ৰামবিজয় (B) ৰুক্মিণীহৰণ
(C) পাৰিজাতহৰণ (D) কেলিগোপাল

**2.** ‘জোণ্ডা এটা শিলত পৰি
চীনামাটিৰ প্লেটৰ দৰে ফাগুনৰ জোন
ভাঙি যোৱা দেখি
কেনেকৈ
চৰাইবোৰে কান্দে’
উক্ত কবিতাফাঁকি কোনজন কবিৰ উক্তি ?
(A) মহেন্দ্ৰ বৰা
(B) হৰি বৰকাকতী
(C) অজিৎ বৰুৱা
(D) নীলমণি ফুকন

**3.** কমতামণ্ডল দুৰ্লভনাৰায়ণ নৃপবৰ অনুপাম ।
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম ।।
তাহান তনয় হেম সৰস্বতী ধ্ৰুৱৰ অনুজ ভাই ।
পদবন্ধে তেহোঁ প্ৰচাৰ কৰিলা বামণ পুৰাণ চাই ।।
কবি পৰিচয় দাঙি ধৰা - উক্ত পদ দুফাঁকি তলৰ কোনখন গ্ৰন্থত উল্লেখ আছে ?
(A) হৰগৌৰী সংবাদ
(B) প্ৰহ্লাদ চৰিত্ৰ
(C) তাম্ৰধ্বজৰ যুদ্ধ
(D) বব্ৰুবাহনৰ যুদ্ধ

**4.** লুই কেৰলৰ গ্ৰন্থৰ অসমীয়া অনুবাদক জন –
(A) ভবেন্দ্ৰনাথ শইকীয়া
(B) নগেন শইকীয়া
(C) প্ৰবীনা শইকীয়া
(D) ৰাজেন শইকীয়া

**5.** ‘জয়দ্ৰথ বধ’ গ্ৰন্থৰ প্ৰণেতাজন হ’ল :
(A) হেম সৰস্বতী
(B) কবিৰত্ন সৰস্বতী
(C) ৰাম সৰস্বতী
(D) শুভনাথ দ্বিজ সৰস্বতী

**6.** চৰিতকাৰ ৰামচৰণ ঠাকুৰৰ পুত্ৰ
(A) দৈত্যাৰি ঠাকুৰ
(B) চতুৰ্ভূজ ঠাকুৰ
(C) নাৰায়ণ ঠাকুৰ
(D) পৰমানন্দ ঠাকুৰ

**7.** ‘আনন্দৰাম ঢেকিয়াল ফুকন (ব্ৰাউন-ব্ৰনচনৰ দৰে) অসমীয়া ভাষাৰ প্ৰতিভাশালী ত্ৰাতা আৰু নিৰ্মাতা’ – কথাষাৰ বিশেষভাবে প্ৰতিভাত হোৱা গ্ৰন্থখন হ’ল :
(A) অসমীয়া লৰাৰ মিত্ৰ
(B) অসমীয়া ভাষা
(C) Plea for Assam and Assamese
(D) A few remarks on the assamese language and vernacular education in Assam.

**8.** আদিসকলে পূজা-পাতল কৰা মুখ্য দেৱতাজন হ’ল :
(A) দ : গ্ৰিঃ পঃ লঃ (B) দদগাং
(C) দবুৰ উয়ুঁ (D) ছংখং

9. অসমৰ তিৱা জনগোষ্ঠীয়ে কৃষি কাৰ্য আৰম্ভ কৰা সময়ত উদ্‌যাপন কৰা পূজা হ'ল :
(A) ছংখং (B) ছঠ
(C) ছগ্ৰামিছৰা (D) জহং

10. নগা জনগোষ্ঠীৰ অন্তৰ্গত অৰুণাচলৰ দুই জনগোষ্ঠী হৈছে
(A) চিংফৌ আৰু খামতি
(B) টাংচা আৰু টুট্‌ছা
(C) নক্তে আৰু ৱাংছো
(D) গালং আৰু শ্বেৰদুক্‌পেন

11. অৰুণাচল প্ৰদেশত প্ৰচলিত টাইমূলীয় ভাষাটো হৈছে -
(A) ফাকে (B) খাময়াং
(C) আইতন (D) খামতি

12. বিধৱা-বিবাহৰ সকলো যুক্তি আৰু তৰ্কই সংলাপক ভাৰাক্ৰান্ত কৰা গুণাভিৰাম বৰুৱাৰ নাটকখন হৈছে -
(A) বিবাহ ৰহস্য (B) বিধৱা বিবাহ
(C) ৰাম নৱমী (D) বিধৱা

13. প্ৰোষিতভৰ্ত্ৰী নায়িকাৰ বিৰহৰ বৰ্ণনা সন্নিৱিষ্ট লোকগীতি
(A) জয়মতী কুঁৱৰীৰ গীত
(B) কমলা কুঁৱৰীৰ গীত
(C) জনা গাভৰুৰ গীত
(D) বাৰমাহী গীত

14. 'জয়ন্তী' আলোচনীত আত্মপ্ৰকাশ কৰা প্ৰথমজন কবি -
(A) অমূল্য বৰুৱা
(B) মহেশ্বৰ নেওগ
(C) ভবানন্দ দত্ত
(D) ৰমাকান্ত চৌধুৰী

15. আধুনিক অসমীয়া গীতৰ প্ৰথমখন সংকলন
(A) গীতাৱলী (B) সংগীত কোষ
(C) জাতীয় সঙ্গীত (D) বহাগী

16. জন বান্‌য়ানৰ 'Pilgrim's Progress' অৰ অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থখনৰ নাম
(A) জাত্ৰিকৰ জাত্ৰা
(B) ধৰ্ম্ম পুস্তক
(C) নিউ টেস্টামেন্ট
(D) খ্ৰিষ্টৰ বিৱৰণ আৰু সুভ বাত্ৰা

17. চতুৰ্থ শতিকাৰ সময়ত উত্তৰ ভাৰতত প্ৰচলিত ব্ৰাহ্মীলিপিক কি নামেৰে নামকৰণ কৰা হৈছিল ?
(A) নাগৰী (B) গুপ্ত
(C) কুটিল (D) সাৰদা

18. তলৰ কোনখন গ্ৰন্থৰ গ্ৰন্থকাৰ দেবানন্দ ভৰালী ?
(A) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ
(B) অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি
(C) অসমীয়া ভাষাৰ ব্যাকৰণ আৰু ভাষাতত্ত্ব
(D) অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ

19. মৃতকৰ শ্ৰাদ্ধৰ অনুষ্ঠানৰূপে আৰু জাতীয় উৎসৱ হিচাপে পালন কৰা উৎসৱবিধৰ নাম
(A) চড়ক পূজা
(B) চমাংকান
(C) চলুং উৎসৱ
(D) চন্‌চাৰী পূজা

20. আহোমযুগত ৰচনা কৰা বুৰঞ্জীসমূহত প্ৰাচীন কামৰূপৰ ৰজাসকলৰ প্ৰবাদ আদি লিপিবদ্ধ কৰিবলৈ যত্ন কৰা হৈছে । এনে প্ৰচেষ্টা তলৰ কোনখন বুৰঞ্জীত পোৱা যায় ?
(A) জয়ন্তীয়া বুৰঞ্জী
(B) কামৰূপৰ বুৰঞ্জী
(C) পাদশ্যাহ বুৰঞ্জী
(D) কছাৰী বুৰঞ্জী

**21** ৰ পৰা **36** লৈ দিয়া প্ৰশ্নসমূহৰ ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দিয়া হৈছে । তাৰে মাজৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**21.** **‘ক’ স্তম্ভ** — **‘খ’ স্তম্ভ**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | অসমৰ লোক সংস্কৃতি | i. | বিষ্ণুপ্ৰসাদ ৰাভা |
| b. | অসমৰ জনকৃষ্টি | ii. | লীলা গগৈ |
| c. | অসমৰ কৃষ্টি | iii. | যোগেশ দাস |
| d. | অসমৰ সংস্কৃতি | iv. | বিৰিঞ্চিকুমাৰ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | i | ii | iii | iv |
| (C) | ii | iii | iv | i |
| (D) | iii | ii | i | iv |

**22.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | আধুনিক ভাষাবিজ্ঞান পৰিচয় | i. | ভীমকান্ত বৰুৱা |
| b. | ভাষাৰ ইতিবৃত্ত | ii. | ৰমেশ পাঠক |
| c. | ভাষা বিজ্ঞানৰ ভূমিকা | iii. | উপেন্দ্ৰনাথ গোস্বামী |
| d. | ভাষাবিজ্ঞান | iv. | ফনীন্দ্ৰনাৰায়ণ দত্ত বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | iv | i | ii | iii |
| (C) | ii | iv | i | iii |
| (D) | iv | iii | ii | i |

**23.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | দেউৰী সংস্কৃতি | i. | ভৃগুমণি কাগয়ুং |
| b. | মিচিং সংস্কৃতিৰ আলেখ্য | ii. | ভস্বৰুধৰ দেউৰী |
| c. | বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি | iii. | বাণীকান্ত কাকতি |
| d. | কলিতা জাতিৰ ইতিবৃত্ত | iv. | ভবেন নাৰ্জী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

**24.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | সাগৰ তলিৰ শংখ | i. | ৰাম গগৈ |
| b. | কোমল গান্ধাৰ | ii. | মহেন্দ্ৰ বৰা |
| c. | মোৰ দেশ মোৰ প্ৰেমৰ কবিতা | iii. | নীলমণি ফুকন |
| d. | জীৱন এক আস্তাবল | iv. | হীৰেন ভট্টাচাৰ্য |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iv | iii | i |
| (C) | iii | i | iv | ii |
| (D) | iv | iii | ii | i |

**25.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | সাবিত্ৰী | i. | পদ্মনাথ গোহাঞি বৰুৱা |
| b. | উৰ্বশী | ii. | নিৰ্মল প্ৰভা বৰদলৈ |
| c. | উৰ্মিলা | iii. | ৰবীন্দ্ৰনাথ |
| d. | দ্ৰৌপদী | iv. | অৰবিন্দ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | ii | iv |
| (B) | ii | iii | iv | i |
| (C) | i | iv | iii | ii |
| (D) | iv | iii | i | ii |

**26.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | তীজ উৎসৱ | i. | চাহ জনগোষ্ঠী |
| b. | জেংবিহু | ii. | অসমীয়া |
| c. | কৰম পূজা | iii. | গাৰো |
| d. | দোচীয়া উৎসৱ | iv. | নেপালী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | ii | i | iii |
| (B) | ii | iii | iv | i |
| (C) | i | ii | iii | iv |
| (D) | iii | iv | ii | i |

**27.**

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| a. | কল্লোলিনী | i. | উমা বৰুৱা |
| b. | অনুপমা অৰুণা কুসুম ইত্যাদি | ii. | স্বৰ্ণ বৰা |
| c. | চিয়েন নদীৰ টো | iii. | কৰবী ভেকা হাজৰিকা |
| d. | চিমচাং নদীৰ হাঁহি | iv. | আৰাধনা গোস্বামী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | iii | iv | ii | i |
| (C) | iv | iii | i | ii |
| (D) | i | ii | iii | iv |

**28.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | বিশেষ্য | i. | খৰকৈ |
| b. | বিশেষণ | ii. | ৰাখোঁতা |
| c. | ক্রিয়া বিশেষণ | iii. | খুন্দনা |
| d. | কৃদন্ত | iv. | লুটুৰা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iv | i | ii | iii |
| (C) | iii | iv | i | ii |
| (D) | i | ii | iii | iv |

**29.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | পিনি | i. | আদি |
| b. | এগে | ii. | কার্বি |
| c. | গালে | iii. | মিচিং |
| d. | জেইন্‌চেম | iv. | খাচী |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iv | ii | iii |
| (B) | ii | iii | i | iv |
| (C) | iv | ii | iii | i |
| (D) | iii | i | iv | ii |

**30.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | মহাচীনৰ দিনলিপি | i. | হেম বৰুৱা |
| b. | বিলাতৰ চিঠি | ii. | অমলেন্দু গুহ |
| c. | ৰঙা কৰবীৰ ফুল | iii. | জ্ঞানদাভিৰাম বৰুৱা |
| d. | আফগানিস্থানত ত্ৰভুমুকি | iv. | নগেন শইকীয়া |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | iii | ii | iv | i |
| (C) | ii | i | iii | iv |
| (D) | i | iv | ii | iii |

**31.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | বাঘে টাপুৰ ৰাতি | i. | নগেন শইকীয়া |
| b. | বন্ধ কোঠাত ধুমুহা | ii. | অপূর্ব শর্মা |
| c. | বেলিফুলৰ সপোন | iii. | অৰুপা পটঙীয়া |
| d. | দেও পাহাৰৰ ভগ্নস্তুপ | iv. | অনিমা দত্ত |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | iv | iii | ii | i |
| (C) | i | iv | iii | ii |
| (D) | ii | i | iv | iii |

**32.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | নষ্টচন্দ্ৰ | i. | আব্দুল মালিক |
| b. | পহুমৰা হাবিৰ বাট | ii. | বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য |
| c. | ৰম্যভূমি | iii. | নিৰোদ চৌধুৰী |
| d. | বনহংস | iv. | ভবেন্দ্ৰনাথ শইকীয়া |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iii | ii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | ii | iii | i |
| (D) | iii | iv | i | ii |

**33.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | গুমৰাগ নৃত্য | i. | বড়ো |
| b. | বৰদৈ শিখ্‌লা | ii. | মিচিং |
| c. | বহুৱা নৃত্য | iii. | খাচী |
| d. | নংক্রেম | iv. | সোনোৱাল |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | i | ii |
| (B) | iii | iv | ii | i |
| (C) | i | ii | iii | iv |
| (D) | ii | i | iv | iii |

**34.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ | i. | নীৰাজনা মহন্ত বেজবৰা |
| b. | তুলনামূলক সাহিত্য আৰু অনুবাদ কলা | ii. | প্রফুল্ল কটকী |
| c. | তুলনামূলক ভাৰতীয় সাহিত্য | iii. | কৰবী ডেকা হাজৰিকা |
| d. | সাহিত্যতত্ত্ব আৰু সমালোচনাতত্ত্ব | iv. | নাহেন্দ্ৰ পাদুন |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iv | ii | iii |
| (B) | ii | iii | i | iv |
| (C) | iii | ii | iv | i |
| (D) | iv | i | iii | ii |

35. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | মহেশ্বৰ নেওগ | i. | শংকৰদেৱ |
| b. | লক্ষ্মীনাথ বেজবৰুৱা | ii. | শ্ৰী শ্ৰী শংকৰদেৱ |
| c. | ডিম্বেশ্বৰ নেওগ | iii. | মহাপুৰুষ শংকৰদেৱ |
| d. | বাপচন্দ্ৰ মহন্ত | iv. | যুগনায়ক শংকৰদেৱ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iv | iii |
| (B) | i | ii | iii | iv |
| (C) | iii | iv | ii | i |
| (D) | iv | iii | i | ii |

36. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| a. | নীলমণি ফুকন | i. | মহৎ ঐতিহ্য |
| b. | নলিনীধৰ ভট্টাচাৰ্য | ii. | কাঁইট গোলাপ আৰু কাঁইট |
| c. | নৰকান্ত বৰুৱা | iii. | মোৰ আৰু পৃথিবীৰ |
| d. | হীৰেন ভট্টাচাৰ্য | iv. | সুগন্ধি পখিলা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | i | ii | iv | iii |
| (C) | ii | i | iii | iv |
| (D) | iii | iv | i | ii |

তলৰ **37** পৰা **52** লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / পুথি / লেখক / নৃগোষ্ঠীসমূহৰ যথাক্ৰমে প্ৰকাশন / জন্ম / প্ৰব্ৰজনৰ / সময় অনুসৰি একাদিক্ৰমে তালিকাবদ্ধ কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

37. (i) দুৰ্গাবৰ
(ii) মাধৱ কন্দলি
(iii) ৰাম সৰস্বতী
(iv) ৰামচৰণ ঠাকুৰ
(A) (ii) (i) (iii) (iv)
(B) (i) (ii) (iv) (iii)
(C) (iv) (iii) (ii) (i)
(D) (iii) (iv) (i) (ii)

38. (i) কীৰ্ত্তন
(ii) কংসবধ
(iii) ঘোৰা নিদান
(iv) বুৰঞ্জী বিবেক ৰত্ন
(A) (iv) (iii) (ii) (i)
(B) (ii) (i) (iii) (iv)
(C) (iii) (iv) (i) (ii)
(D) (i) (ii) (iii) (iv)

39. (i) অৰুনোদই (ii) ঊষা
(iii) বিজুলী (iv) চেতনা
(A) (iv) (ii) (iii) (i)
(B) (iii) (iv) (i) (ii)
(C) (i) (iii) (ii) (iv)
(D) (ii) (i) (iv) (iii)

40. (i) A Grammar of the Assamese Language.
(ii) Grammatical notices of the Assamese Language.
(iii) A few remarks on the Assamese Language.
(iv) Assamese, its formation and development.
(A) (iv) (iii) (ii) (i)
(B) (i) (ii) (iii) (iv)
(C) (iii) (iv) (i) (ii)
(D) (ii) (i) (iv) (iii)

41. (i) শৌৰসেনী প্ৰাকৃত
(ii) মাগধী অপভ্ৰংশ
(iii) সংস্কৃত
(iv) অৱহট্‌ঠ
(A) (iv) (ii) (iii) (i)
(B) (iii) (i) (ii) (iv)
(C) (ii) (iv) (i) (iii)
(D) (i) (iii) (iv) (ii)

42. (i) সেউজীয়া জোন
(ii) মানুহ অনুকূলে
(iii) সোণালী জাহাজ
(iv) ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য
(A) (i) (ii) (iii) (iv)
(B) (ii) (i) (iv) (iii)
(C) (iii) (iv) (i) (ii)
(D) (iv) (iii) (ii) (i)

**43.** (i) ৰূপৰ টিলিঙাৰ মাত
(ii) চুলি নাবান্ধিবা যাজ্ঞসেনী
(iii) কদম কলি
(iv) শেৱালি
(A) (iv) (i) (ii) (iii)
(B) (ii) (iii) (iv) (i)
(C) (iii) (iv) (i) (ii)
(D) (i) (ii) (iii) (iv)

**44.** (i) গুণাভিৰাম বৰুৱা
(ii) মাইল্‌ছ ব্ৰন্সন
(iii) নিধিৰাম ফাৰৱেল
(iv) নাথান ব্ৰাউন
(A) (iv) (ii) (iii) (i)
(B) (i) (iii) (iv) (ii)
(C) (iii) (i) (ii) (iv)
(D) (ii) (iv) (i) (iii)

**45.** (i) সাহিত্যৰ সত্য
(ii) অসমীয়া কবিতাৰ ছন্দ
(iii) নন্দনতত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য
(iv) অসমীয়া সাহিত্যত দৃষ্টিপাত
(A) (ii) (iv) (iii) (i)
(B) (i) (iii) (ii) (iv)
(C) (iv) (ii) (i) (iii)
(D) (iii) (i) (iv) (ii)

**46.** (i) ৰূপতীৰ্থৰ যাত্ৰী
(ii) সেহি গুণনিধি
(iii) বস্তুকা বেহাৰ
(iv) তোৰে মোৰে আলোকৰে যাত্ৰা
(A) (i) (iii) (iv) (ii)
(B) (ii) (iv) (iii) (i)
(C) (iii) (ii) (i) (iv)
(D) (iv) (i) (ii) (iii)

**47.** (i) বাণীকান্ত কাকতি
(ii) বিৰিঞ্চিকুমাৰ বৰুৱা
(iii) কৃষ্ণকান্ত সন্দিকৈ
(iv) অতুলচন্দ্ৰ হাজৰিকা
(A) (i) (iii) (iv) (ii)
(B) (ii) (iv) (iii) (i)
(C) (iii) (ii) (i) (iv)
(D) (iv) (i) (ii) (iii)

**48.** (i) অসমীয়া ব্যাকৰণ প্ৰৱেশ
(ii) অসমীয়া ভাষাৰ ৰূপকথা
(iii) অসমীয়া ভাষাৰ ব্যাকৰণ
(iv) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব
(A) (i) (iii) (ii) (iv)
(B) (ii) (i) (iv) (iii)
(C) (iii) (iv) (i) (ii)
(D) (iv) (ii) (iii) (i)

**49.** (i) ড°. ভূপেন হাজৰিকা
(ii) মামনি ৰয়চম গোস্বামী
(iii) নিৰ্মল প্ৰভা বৰদলৈ
(iv) হেম বৰুৱা
(A) (i) (ii) (iv) (iii)
(B) (ii) (iii) (i) (iv)
(C) (iv) (i) (iii) (ii)
(D) (iii) (iv) (ii) (i)

**50.** (i) নিৰুপমা বৰগোহাঞি
(ii) কৰবী ডেকা হাজৰিকা
(iii) বন্দিতা ফুকন
(iv) কেশদা মহন্ত
(A) (i) (ii) (iii) (iv)
(B) (ii) (iii) (iv) (i)
(C) (i) (iv) (ii) (iii)
(D) (iv) (i) (iii) (ii)

**51.** (i) অসম সাহিত্য সভা
(ii) কামৰূপ অনুসন্ধান সমিতি
(iii) আনন্দৰাম বৰুৱা ভাষা-সাহিত্য-সংস্কৃতি সংস্থা
(iv) অসম নাট্য সন্মিলন
(A) (ii) (i) (iv) (iii)
(B) (iv) (ii) (iii) (i)
(C) (ii) (iii) (i) (iv)
(D) (i) (iv) (iii) (ii)

**52.** (i) মিৰি জীয়ৰী
(ii) মনোমতী
(iii) ভানুমতী
(iv) লাহৰী
(A) (iii) (iv) (i) (ii)
(B) (i) (ii) (iii) (iv)
(C) (iv) (i) (ii) (iii)
(D) (ii) (iii) (iv) (i)

তলৰ **53** ৰ পৰা **65** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষন কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

**53.** প্ৰতি শাৰীত চৈধ্যটাকৈ মুঠতে আঠাইশটা আখৰ থকা -
‘জিলিকা পাখিৰে হাঁহে ৰবিৰ কিৰণ
জিলিকা পখিলা নাচি ফুৰে অগনন’ – পদ ফাঁকিত ব্যবহৃত ছন্দক বুলিব পাৰি -
(A) দুলড়ী (B) পয়াৰ
(C) লেছাৰী (D) ঝুনা

**54.** সাৰ্থক-নিৰৰ্থকভাৱে স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ পুনৰুক্তিৰ জৰিয়তে সিদ্ধ হোৱা
‘সতীৰ সতীত্ব ৰাখি প্ৰতিদান দিলে;
চাই ছাই কৰা কামে পুনু প্ৰাণ পালে । ’ –
কৱিতা ফাঁকিত ব্যৱহৃত অংলকাৰ বুলিক পাৰি
(A) শ্লেষ (B) অনুপ্ৰাস
(C) যমক (D) বক্ৰোক্তি

**55.** তুলনামূলক সাহিত্যৰ ক্ষেত্ৰ জাতীয় সাহিত্যৰ গণ্ডীৰ বাহিৰত, কাৰণ
(A) তুলনামূলক সাহিত্যই বিশ্ব সাহিত্যৰ স্বৰূপ অধ্যয়ন কৰে ।
(B) বিশ্বসাহিত্য আৰু জাতীয় সাহিত্য পৰস্পৰে সম্পৃক্ত ।
(C) তুলনামূলক সাহিত্যই সাহিত্যবিচাৰৰ পটভূমি বহল কৰে ।
(D) তুলনামূলক সাহিত্যৰ অধ্যয়ন এক আনন্দদায়ক অভিজ্ঞতা ।

**56.** অসমীয়া নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিভক্তিমূলক সৰ্গহে, কাৰণ -
(A) নিৰ্দিষ্টতাবাচক সৰ্গবোৰ বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত যোগ হয় ।
(B) নিৰ্দিষ্টতাবাচক সৰ্গবোৰৰ সংযোগে শব্দৰ শ্ৰেণী পৰিৱৰ্তন নঘটায় ।
(C) নিৰ্দিষ্টবাচক সৰ্গবোৰে নতুন শব্দ সাধন নকৰে ।
(D) নিৰ্দিষ্টবাচক সৰ্গবোৰে নতুন শব্দ সাধন কৰে ।

**57.** অসমীয়া ভাষাৰ স্বৰৰ দৈৰ্ঘ বৰ্ণগত (Phonemic) নহয় । কাৰণ -
(A) স্বৰৰ দৈৰ্ঘই অসমীয়া ভাষাত শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটায় ।
(B) স্বৰৰ উচ্চাৰণ দৈৰ্ঘৰ ক্ষেত্ৰত অসমীয়া আৰু সংস্কৃতৰ মিল নাই ।
(C) স্বৰৰ দৈৰ্ঘই অসমীয়া ভাষাত শব্দৰ অৰ্থৰ পৰিৱৰ্তন সাধন নকৰে ।
(D) স্বৰৰ উচ্চাৰণত অসমীয়া ভাষাত হ্ৰস্ব আৰু দীৰ্ঘৰ পাৰ্থক্য নাই ।

**58.** ধ্বনি সমষ্টিৰে গঠিত শব্দ আৰু পদ উচ্চাৰণ কৰি বাক্য সৃষ্টি কৰা হয়, যদিও এইবোৰৰ লগত সুৰ-লহৰো এৰাব নোৱাৰাকৈ ওত:প্ৰোত ভাৱে জড়িত হৈ থাকে । কাৰণ -
(A) সুৰ-লহৰে শ্ৰোতা আৰু বক্তাৰ আকাঙ্খা পূৰ্ণ কৰে ।
(B) সুৰ-লহৰে ভাব আৰু অৰ্থৰ সম্পৰ্ক সাধন কৰে ।
(C) সুৰ-লহৰে বাক্য ক’ত শেষ হৈছে, অথবা ভাবৰ ক’ত যতি পৰিছে তাৰ ধাৰণা বক্তাক দিয়ে ।
(D) সুৰ-লহৰে বক্তাজনৰ ক’বলৈ বাকী থকাৰ কথাৰ ইঙ্গিত বহন কৰে ।

**59.** ‘ছয়াময়া সুখৰ সি ক্ষন্তেকীয়া হাঁহি;
সুৰভি বিলাই যোৱা গোলাপৰ পাহি । ’
এই কবিতাফাঁকিৰ ছন্দসজ্জা বিশ্লেষণ কৰিলে পোৱা যায় -
(A) কবিতাফাঁকিৰ চৰণৰ মাত্ৰা ৮ + ৬ = ১৪ মাত্ৰা
(B) কবিতাফাঁকি দীৰ্ঘ পয়াৰ ছন্দসজ্জা
(C) কবিতাফাকিৰ প্ৰথম চৰণৰ লগত দ্বিতীয় চৰণৰ মিল আছে
(D) কবিতাফাঁকি চৰনান্তিক ধ্বনিযুক্ত ।

**60.** নাৰীৰ উন্নততৰ অৱস্থা বিচৰা একাংশ নাৰীবাদীয়ে মাৰ্ক্সবাদৰ প্ৰতি আকৰ্ষিত হোৱাৰ কাৰণ
(A) মাৰ্ক্সবাদে নাৰীৰ নিৰ্যাতনৰ আভাস উন্মুক্ত কৰে ।
(B) মাৰ্ক্সবাদে নাৰী নিৰ্যাতনৰ অৱসানত অৰিহনা যোগায় ।
(C) মাৰ্ক্সবাদে নাৰীৰ মানসিক পৰিবৰ্তনৰ বাবে সামাজিক পদ্ধতিয়ে বিশ্লেষণ কৰাৰ উপায় দিয়ে ।
(D) মাৰ্ক্সবাদে পুৰুষ আৰু নাৰীৰ সম্পৰ্ক বিশ্লেষণ কৰে ।

**61.** অসমীয়া লিপি মূল ভাৰতীয় লিপিৰে ঠাল আৰু বৰ্ণ সংখ্যাৰ ক্ষেত্ৰতো সমতা আছে যদিও এই লিপিৰ আহিয়ে স্বকীয় ৰূপ পৰিগ্ৰহ কৰাৰ কাৰণ -
(A) অসমীয়া লিপিৰ লেখাৰ মাধ্যম সাঁচিপাত, তুলাপাত আছিল ।
(B) বিভিন্ন সময়ত বিভিন্ন জনে বেলেগ বেলেগ ধৰণে লিখিছিল ।
(C) বিভিন্ন পদ্ধতিৰে মহী তৈয়াৰ কৰি প্ৰাচীন অসমীয়া লিপি লিখা হৈছিল ।
(D) ছপাযন্ত্ৰৰ প্ৰচলন ।

**62.** অসমৰ সংস্কৃতিৰ ভাৰতীয় আৰ্যমুখী হলেও ইয়াৰ দীঘে বানীয়ে মঙ্গোলীয় সংস্কৃতিৰ উপাদান উপচি আছে । এই উক্তিৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে -
(A) অসমৰ সংস্কৃতিৰ আধাৰ মঙ্গোলীয় সংস্কৃতি
(B) মঙ্গোলীয় সংস্কৃতি অসমৰ পৰ্বত-ভৈয়াম সকলোতে বিয়পি আছে ।
(C) অসমৰ জনসংখ্যা অধিকাংশই হ'ল মঙ্গোলীয় জন সমষ্টিৰ অন্তৰ্ভুক্ত ।
(D) অসমৰ সংস্কৃতি ভাৰতীয় আৰ্য সংস্কৃতি আৰু মঙ্গোলীয় সংস্কৃতিৰ মিশ্ৰিত ৰূপ ।

**63.** 'অব্যক্ত ঈশ্বৰ হৰি কোনমতে চিন্তিবাহা
ব্যাপকত কিবা বিসৰ্জন ।
এতাৱন্ত মূৰ্ত্তিশূন্য কিমতে পূজিবা তাঙ্ক
ৰাম বুলি শুদ্ধ কৰা মন ।।'
উক্ত ঘোষা ফাকিৰ বক্তব্য
(A) ঈশ্বৰে মনৰ ভাব ব্যক্ত নকৰে, ঈশ্বৰ নিৰাকাৰ, তেওঁক কোনোমতেহে চিন্তা কৰিব পাৰি । ঈশ্বৰৰ নামত মূৰ্ত্তি সাজি পূজা অৰ্চনা কৰি বিসৰ্জন দিয়া উচিত ।
(B) ঈশ্বৰ নিৰাকাৰ বাবে তেওঁক চিন্তা কৰিব নোৱাৰি, অতি বিশাল বাবে তেওঁক বিসৰ্জন দিব পৰাও নাযায়, যিহেতু তেওঁৰ কোনো ৰূপ নাই, সেইবাবে তেওঁক পূজা কৰিবও নোৱাৰি, গতিকে ৰাম-নাম উচ্চাৰণ কৰি মন শুদ্ধ কৰা উচিত ।
(C) ঈশ্বৰক দেখা নাযায়, সেইবাবে তেওঁক মনতে চিন্তা কৰা উচিত, ৰামৰ মূৰ্ত্তি সাজি ৰাম-নাম উচ্চাৰণ কৰি বিসৰ্জন দিয়া উচিত ।
(D) ঈশ্বৰৰ আকাৰ নাই, ঈশ্বৰৰ নগত কেনেকৈ চিন্তা কৰিবা বা কেনেকৈ কথা পাতিবা, তেওঁৰ মুৰ্ত্তি স্থাপন কৰি পূজা অৰ্চনা কৰি বিসৰ্জন দিয়া উচিত ।

**64.** বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে
'অসমীয়া সমাজত তিৰোতাৰ যি মৰ্যাদা, তাৰ সৰহভাগ তিব্বতবৰ্মী ভাষীৰ প্ৰভাৱত সম্ভৱপৰ হৈছে ।' – এই উক্তি দাঙি ধৰাৰ কাৰণ -
(A) তিব্বতবৰ্মী সমাজত ধনী, দুখীয়া সকলো ঘৰৰ তিৰোতাই পথাৰত ধান ৰোৱাৰ পৰা আৰম্ভ কৰি ৰান্ধনি ঘৰলৈকে সকলো কাম কৰিছিল ।
(B) তিব্বতবৰ্মী সমাজত পূজা-পাতলত তিৰোতাক আগশাৰীত স্থান দিছিল ।
(C) তিব্বতবৰ্মী সমাজত তিৰোতাই কোনো হীন বৃত্তি গ্ৰহণ কৰা নাছিল ।
(D) তিব্বতবৰ্মী সমাজত মুনিহ-তিৰোতাৰ সমান আসন আৰু সকলো ক্ষেত্ৰতে তিৰোতা মুনিহৰ সহায়ক আছিল ।

**65.** Alexander Pope ৰ মতে
'in Poetry genious is, but rare true poetry, seldom, is the critics share'.
এই উক্তি বিশ্লেষণ কৰিলে দেখা যায় সাধাৰণতে
(A) কবিতাৰ সৃষ্টি খুব কমেহে জন্মগত, বেছি ভাগ ভাল কবিতা সমালোচকে সৃষ্টি কৰে ।
(B) নেৰা নেপেৰা চেষ্টাৰ ফলতহে কবিতাৰ সৃষ্টি হয় ।
(C) জন্মগত প্ৰতিভাৰ অবিহনে কবিতা সৃষ্টি সম্ভৱ নহয় ।
(D) সমালোচকৰ হাততহে কবিতা সৃষ্টি হয় ।

তলত দিয়া কবিতাটি মনোযোগেৰে পঢ়ি তাৰ তলত **66**ৰ পৰা **70**লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C) আৰু (D) ৰ মাজৰ পৰা বাছি উলিওৱা ।

কোন ৰূপদক্ষ ভাস্কৰৰ তিলে তিলে গঢ়া তুমি ৰূপৰ প্ৰতিমা চিৰ নিৰুপমা !
তোমাৰ কাৰণে ৰাণী ! সদা অবিৰাম ভায়ে ভায়ে কৰিছে সংগ্ৰাম হেৰা তিলোত্তমা !
হেজাৰ শিল্পীয়ে লেখে তোমাৰ ৰূপৰ কাব্য ৰেখাৰে ভাষাৰে, সখি সহস্ৰ ভাস্কৰে
শিলত ফুটাই তোলে তোমাৰ সৌন্দৰ্য্যফুল, শিলে শিলে শেৱালিৰ লাৱণ্য বাগৰে ।

বুভুক্ষু দেৱতা কাম গৰজিছে বিশ্বজুৰি; ৰূপদীপ্তা ! তুমি তাৰ পূজাৰ গোলাপ;
সন্ধ্যাৰ কোমল ছাঁত প্ৰিয়াৰ হাতৰ তুমি চেতাৰৰ গুঞ্জৰণ অপূৰ্ব্ব আলাপ ।
বননিৰ তলে তলে জোনাকীৰ হিয়া জ্বলে, আকাশত কোটি কোটি তৰাৰ দীপালী,
নুমাই জ্বলিছা তুমি তৰাৰ জেউতি স'তে, জোনাকীৰ চেৰে চেৰে হেৰা ৰাংঢালী ।
দৃপ্তফনা কালনাগ, বিহ উগাৰত যাৰ নীলকন্ঠ ভোলানাথ, তুমি তাৰ মণি;
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা তুমি তূৰ্য্যধ্বনি ।
মিলনৰ স্বপ্ন সানি ক্ষণে ক্ষণে চিৰদিন অশ্ৰুম্লান বিৰহক কৰিছা সোণালী;
হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালি কাঢ়ি উমলিছা হেলাৰঙে পাতিছা ধেমালি ।
দেশ আৰু সময়ৰ সোণৰ শিকলি ছিঙি কৰিছা বিলীন এই সীমা ধৰিত্ৰীৰ;
উষা আৰু সন্ধিয়াৰ এন্ধাৰ পোহৰ সানি আঁকিছো নিতউ ছবি নতুন সৃষ্টিৰ ।

**66.** তিলোত্তমা নামৰ পৌৰাণিক চৰিত্ৰটো কোন আছিল ?

(A) দেৱকন্যা (B) ৰাজকন্যা

(C) লক্ষ্মী (D) পাৰ্বতী

**67.** তিলোত্তমাৰ কাৰণে সংগ্ৰাম কৰা ভাই-ককাই দুজন কোন আছিল ?

(A) জয়-বিজয় (B) শুম্ভ-নিশুম্ভ

(C) সুন্দ-উপসুন্দ (D) ৰাৱন-কুম্ভকৰ্ণ

**68.** "বুভুক্ষু দেৱতা কাম গৰজিছে বিশ্বজুৰি, ৰূপদীপ্তা ! তুমি তাৰ পুজাৰ গোলাপ ।" ইয়াত নাৰীৰ বিশেষণ কি ?

(A) নাৰী প্ৰেমময়ী

(B) নাৰী কামনাময়ী

(C) নাৰী ক্ষুধাতুৰা

(D) নাৰী ৰূপৰ অহংকাৰত মগ্ন

**69.** "দৃপ্তফনা কালনাগ, বিহ উগাৰত যাৰ নীলকন্ঠ ভোলানাথ তুমি তাৰ মণি", – এই উক্তিৰে বুজোৱা হৈছে যে -

(A) নাৰীৰ প্ৰকৃতি ভয়ংকৰ

(B) নাৰীক সহজে জয় কৰিব নোৱাৰি

(C) নাৰী ভোলানাথৰ প্ৰিয়

(D) নাৰীয়ে সততে আঘাতৰ বাবে উদ্যত হৈ থাকে ।

**70.** সুন্দৰ ভাৱ-ভাষাৰ এই কবিতাটিত নাৰীৰ বিচিত্ৰ ৰূপৰ ধাৰণা প্ৰকাশ পাইছে । এই ধাৰণা ঘাইকৈ

(A) সম্ভ্ৰমসূচক (B) অৱমাননাসূচক

(C) বিস্ময়সূচক (D) প্ৰতিবাদসূচক

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত **71**ৰ পৰা **75**লৈ দিয়া প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C) আৰু (D)ৰ মাজৰ পৰা বাছি উলিওৱা ।

কাব্য বা কথা সাহিত্য আলোচনা কৰিবলৈ হ'লে প্ৰথমতেই পঢ়ুৱৈ সমাজে গ্ৰন্থকাৰ কি পৰিমাণে আলোচ্য বা কথাবস্তুৰ দ্বাৰা অনুপ্ৰাণিত হৈছে, সেইটোৰ বিচাৰত মন দিয়ে । লেখকে যিমানখিনি বিষয়বস্তুৰ লগত একীভূত হ'ব পাৰিছে, সিমান খিনিৰ অন্তঃস্থল ভেদ কৰি তাৰ সূক্ষ্ম মৰ্ম গ্ৰহণ কৰি বিষয়বস্তুৰ ফালৰ পৰা সকলো কথা ৰসাভিসিক্ত কৰি তুলিব পাৰে, সেই পৰিমাণে তেওঁৰ উক্তিয়ে যুগমীয়া প্ৰবচন হিচাপে লোকসমাজত প্ৰচাৰ লাভ কৰে । কিন্তু সেই ঐকানুভূতিৰ লৰচৰ নোহোৱা কিবা স্বৰূপ আছেনে ? আমি সচৰাচৰ দেখো-একেটি বিষয়কেই নানান কবিয়ে নানানভাৱে আমাৰ প্ৰাণত আঘাত কৰিব পৰাকৈ সজাই তোলে । চৰাই কবিতাত দেখোঁ – কোনো কবিয়ে তাক বিশ্বচৈতন্যৰ অমৰাবাসীৰ আগদূত বুলি কল্পনা কৰে, কোনোৱে বা বিশ্বজগতত যি অহৈতুকী আনন্দৰস বাগৰি ফুৰিব লাগিছে, তাকেই চৰাইবিশেষৰ মাতত ফুটি ওলোৱা বুলি কল্পনা কৰে । কোনোবাই আকৌ চৰাইৰ মাততেই জগতৰ সৌন্দৰ্য

ওঁৰালৰ দুৱাৰ মেল খায় বুলি কয় । তেনেহলে বিষয়বস্তুৰ ঐক্য সহানুভূতিত কোনো ধৰা-বন্ধা পদ্ধতি বা প্ৰণালী থাকিব নোৱাৰে । কবি আৰু কাব্য বিষয়ে কোনে কাক আগেয়ে স্পৰ্শ বা আঘাত কৰে ? কবিয়ে কঠোৰ চিন্তা বা চেষ্টাৰ দ্বাৰা কোনো বিষয়ৰ লগত ঐকানুভূতি স্থাপন কৰিব নোৱাৰে - স্পৰ্শ বা আঘাত কৰে আগেয়ে কাব্যবস্তুৱেই । চিন্তা আৰু মননৰ দ্বাৰাই কবিয়ে মাথোন সেই আঘাত বৰণ কৰি ল'ব শক্তি সঞ্চয় কৰে । এই আঘাতত মননৰ কবিৰ বিস্ময়, সৌন্দৰ্য আদি যি ভাবৰ প্ৰতিধ্বনি হয়, কাব্য বা কথা-সাহিত্যত তাকেই আমি শুনিবলৈ পাওঁ । ইয়াকেই আমি সাহিত্যত প্ৰকৃতিৰ পৰশ বা একাত্মবোধ বুলিব পাৰোঁ । মহাকবি ছেক্সপীয়াৰে এঠাইত কৈছে - "One touch of nature makes the whole world kin" "প্ৰকৃতিৰ এবাৰৰ পৰশেই গোটেইখন জগতকেই আত্মীয় কৰি তোলে ।"

কিন্তু বিষয়বস্তুৰ লগত একাত্মবোধৰ লগে লগে ভাবুকৰ মনত সময়ে সময়ে বিশ্বাত্মবোধ আহি ভূমুকি মাৰে । জগতখনেই চৈতন্যময়, সৌন্দৰ্য্যময় । সেই চৈতন্যৰ অনন্ত প্ৰবাহ সেই সৌন্দৰ্য্যৰ অফুৰন্ত বিকাশৰ সপোনে মন প্ৰাণ এনেভাৱে অভিভূত কৰে যে জাগতিক জীৱনৰ লগত তাৰ সামঞ্জস্য স্থাপন কৰিবৰ শক্তি নেথাকিলে বাস্তৱিক সংসাৰত ভাবুকৰ জীৱন খৰ্ব হৈ পৰে ।

**71.** লোক সমাজত প্ৰচাৰ লভিবৰ বাবে গ্ৰন্থকাৰক কোনবোৰ গুণে সহায় কৰে ?

(A) কথাবস্তুৰ অনুপ্ৰেৰণা

(B) ঐকানুভূতিৰ স্থিৰতা

(C) প্ৰচাৰধৰ্মিতা

(D) মমাৰ্থগ্ৰহণ

**72.** কবিতাৰ সৃষ্টি প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় -

(A) বিষয়বস্তুৰ ঐক্য বা পদ্ধতিৰ শিথিলতা

(B) চিন্তন আৰু মনন

(C) আনন্দৰসৰ সন্ধান

(D) সৌন্দৰ্যৰ উপলব্ধি

**73.** প্ৰকৃতিৰ স্পৰ্শত কবিতাই বিশ্ব সংসাৰক আত্মীয় কৰিব পৰাৰ মূলতে হ'ল -

(A) কবিৰ মনত কাব্যবস্তুৰ আঘাত

(B) কবিৰ প্ৰাণত বিস্ময়ৰ জাগৰন

(C) কবিৰ প্ৰাণত প্ৰকৃতিৰে সৈতে একাত্মবোধ

(D) কবিতাত ঘটা কবিৰ মনৰ আনন্দ, সৌন্দৰ্য আদিৰ প্ৰতিফলন

**74.** বাস্তৱিক সংসাৰত ভাবুকৰ জীৱন খৰ্ব হ'ব পৰা কাৰণবোৰ হ'ল -

(A) বিশ্বাত্মাবোধৰ ভূমুকি

(B) জগতৰ চৈতন্যময়তা আৰু সৌন্দৰ্যময়তা

(C) সৌন্দৰ্যৰ অফুৰন্ত বিকাশৰ সপোন

(D) অনুভৱৰ জগত আৰু জাগতিক জীৱনৰ সামঞ্জস্যহীনতা ।

**75.** কবি, কাব্যবস্তু আৰু পাঠকৰ কোনে কাক প্ৰথমে আঘাত কৰে -

(A) কবিয়ে কাব্যবস্তুক, কাব্যবস্তুৱে পাঠকক

(B) কবিয়ে পাঠকক, পাঠকে কাব্যবস্তুক

(C) কাব্যবস্তুৱে কবিক, কবিয়ে পাঠকক

(D) পাঠকে কবিক, কবিয়ে কাব্যবস্তুক

**Space For Rough Work**